**দিনাংক- ২৩ ফেব্ৰুৱাৰী ২০১৪**

## ইউ পি এ- ২ শাসনৰ সময়ত ৰাজ্যসভা

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

ইউ পি এ ২ ৰ শাসনৰ অন্তিম অধিবেশন শেষ হ'ল । এইয়াই মোক বিগত ৫ বছৰৰ ৰাজ্যসভা কাৰ্য্যক পুন: চোৱাৰ সুবিধা প্ৰদান কৰিছে । সেই সময়ত মই বিৰোধী দলৰ নেতা আৰু নিজৰ দ'লৰ নেতা হোৱাৰ সুবিধা লাভ কৰিছিলো । ৰাজ্যসভাত বিগত ৫ বছৰত বহুত গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত চৰ্চা হৈছে য'ত বিৰোধী দ'লৰ সদস্যৰ লগত আন সদস্যইও অংশগ্ৰহণ কৰিছিল । লগতে বহুত সময়ত হুলস্থুলৰ আৰু বিৰোধাভাষী ৰাজনীতি শেষ হোৱাৰ বাবে মই বহুত দুখী । সম্পূৰ্ণ বিশ্লেষন কৰিলে মোৰ অলপো সন্দেহ নাই যে ভাল চৰ্চা বৃহৎ ৰাজ্যৰ স্বাৰ্থত আৰু যদি হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি নহ'লহেতেঁন আৰু বহুতো বিষয়ৰ ওপৰত চৰ্চা কৰাৰ সুবিধা পোৱা গ'লহেতেঁন । ভাল বিৰোধী দ'লৰ বাবে চৰকাৰক কিছু মন্ত্ৰীয়ে যি বিষয়ৰ ওপৰত ভালদৰে প্ৰস্তুত নহয় তেওঁলোকক লজ্জিত কৰাত সক্ষম হয় ।

বিগত ৫ বছৰত ৰাজ্যসভাত হোৱা কিছুমান গুৰুত্বপূৰ্ণ চৰ্চা মনত পেলাব বিচাৰিছো । ২ জি স্পেকট্ৰাম কেলেংকাৰীৰ সম্পূৰ্ণ তথ্য ২০০৯ চনৰ শীতকালীন অধিবেশনত মাত্ৰ ৩ দিনৰ চৰ্চাত উজাগৰ কৰা হৈছিল । তেতিয়া টেলিকম মন্ত্ৰী শ্ৰীযুত এ ৰাজাৰ বিৰুদ্ধে কেলেংকাৰীৰ অভিযোগৰ পৰা সাৰিব'লৈ বহুত কঠিন সময় পাৰ কৰিব লগা হৈছিল । তেতিয়ালৈকে অভিযুক্তৰ বিৰুদ্ধে বহুতো নজনা তথ্য ৰাজ্যসভাত আলোচনা কৰা হৈছিল আৰু সেইয়া এতিয়া চি বি আই ৰ চাৰ্জশ্বীটৰ অংশ হৈ পৰিছে ।

ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে পাকিস্থানৰ প্ৰধানমন্ত্ৰীৰ সৈতে শ্বৰ্ম-এল-চেইখ অনুষ্ঠানত যুটীয়া ঘোষনা পত্ৰ জাৰী কৰে য'ত সন্ত্ৰাসবাদক লৈ ভাৰতৰ চিন্তাক, পাকিস্থানৰ সৈতে ভাল সম্পৰ্ক ৰখা চৰকাৰী নীতিৰ বাবে আতঁৰত ৰাখিব লগা হ'ল । শ্বৰ্ম-এল-চেইখ ড্ৰাফ্টৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে দিয়া স্পষ্টিকৰণত ৰাজ্যসভা সাক্ষী হৈ ৰ'ল । ইয়াৰ পাছত ক'পেনহেগেন অনুষ্ঠিত বতৰ সলনি বিষয়ৰ ওপৰত জাৰী কৰা বিবৃত্তিৰ ওপৰত হোৱা আলোচনাৰ বাবে ক্লাইমেট চেনঞ্জ ড্ৰাফ্ট বিস্তৃত ভাৱে তৈয়াৰ কৰা হ'ল । তৰ্ক আৰু আলোচনা গুণগতা বিশেষজ্ঞৰ বিষয়বস্তু হৈ পৰিব ।

৬ ডিচেম্বৰ ১৯৯২ চনৰ কাণ্ডৰ ওপৰত জাষ্টিচ লিব্ৰাৰহন কমিচনৰ প্ৰতিবেদনৰ ওপৰত দুই সদনত চৰ্চা কৰা হৈছিল । ইয়াৰ ওপৰত তৰ্ক-বিতৰ্ক বহুত সময় ধৰি হৈছিল য'ত সদস্যসকলে এই প্ৰতিবেদনৰ পক্ষে আৰু বিপক্ষে নিজৰ নিজৰ মন্তব্য আগবঢ়াইছিল । ন্যায়ধীশ সৌমিত্ৰ সেনৰ ৰাষ্ট্ৰদূতৰ অভিযোগৰ ওপৰত ৰাজ্যসভাত দুদিন ধৰি চৰ্চা হৈছিল । ৰাজ্যসভা এক আদালতলৈ ৰূপান্তৰিত হৈ গৈছিল য'ত সদস্যসকলে ন্যায়ধীশক বহুত সময় ধৰি শুনিছিল ।ন্যায়ধীশৰ বিবৃত্তি শুনা হৈছিল আৰু সকলো সদস্যই তথ্যৰ ভিত্তিত তেওঁক দোষী সাব্যস্ত কৰে । উত্তৰ-পূৰ ৰাজ্যৰ ধুবৰী আৰু কোকৰাঝাৰত সংঘটিত হোৱা হিংসাত্মক ঘটনা আৰু যুৰ আৰু ছাত্ৰৰ ওপৰত দেশৰ ভিন্ন ঠাইত হোৱা আক্ৰমণৰ বিষয়টো বহুতবাৰ ৰাজ্যসভাত আলোচনা কৰা হৈছিল । দেশৰ বৃহৎ স্বাৰ্থত সুৰক্ষা আৰু উত্তৰ-পূৰৰ এনে বিষয়ক গুৰুত্ব প্ৰদান কৰা হৈছিল ।

ৰাজ্যসভাত দুৰ্নীতি বিষয়টোয়ে গুৰুত্বপূৰ্ণ স্থান দখল কৰিছিল । ৰাষ্ট্ৰমণ্ডল খেলৰ কেলেংকাৰী, কয়লা ব্লক আৱণ্টন কেলেংকাৰী, ভি ভি আই পি হেলিকপ্টাৰ ডীলৰ দ্বৰে বিশেষ বিষয়ৰ ওপৰত দেশত বৃদ্ধি পোৱা ভ্ৰষ্টাচাৰৰ ওপৰত বিস্তৃত চৰ্চা কৰা হৈছিল । লোকপাল বিধেয়কৰ ওপৰতো বাৰে বাৰে আলোচনা কৰা হৈছিল ।২৯ ডিচেম্বৰ ২০১১ তাৰিখে বহুত সদস্যই বিধেয়কৰ বিৰোধিতা কৰাৰ বাবে মধ্য ৰাত্ৰিত আলোচনা ৰখাই দিয়া হৈছিল । শেষত এই বিধেয়ক ৰাজ্যসভাৰ চিলেক্ট কমিটিলৈ প্ৰেৰণ কৰা হ'ল । যি অলপ শুধৰণি কৰাৰ পাছত ৰাজ্যসভাই শেষত লোকপালৰ ফাইনেল ড্ৰাফ্ট গ্ৰহণ কৰিছে । ভ্ৰষ্ট্ৰাচাৰৰ বিৰুধী কাৰ্য্যকৰ্ত্তা শ্ৰীযুত আন্না হাজাৰেক কৰায়ত্ত কৰাৰ বিষয়ৰ ওপৰত ৰাজ্যসভাত উচ্চ মানদণ্ডৰ আলোচনা দেখা গৈছে ।

৬০ বছৰ সম্পূৰ্ণ কৰা ৰাজ্যসভাই সদস্যসকলক ভাৰতীয় গণতন্ত্ৰৰ প্ৰকৃত ছবি দাঙি ধৰাৰ সুবিধা প্ৰদান কৰিছে । এই চৰ্চাসমূহ দ'লীয় ভিত্তিত হোৱা নাছিল, ই প্ৰেৰণামূলক আছিল । ল'বিৰ ফোন টেপিংৰ কাণ্ড আৰু সিদ্ধান্ত লোৱাত তেওঁলোকৰ প্ৰভাৱৰ কথাও আলোচনাৰ বিষয় হৈ পৰিছিল ।

বিভিন্ন মন্ত্ৰীৰ কাৰ্য্য কৰা বিষয়টোও ৰাজ্যসভাত আলোচনা কৰা হৈছিল । ৰাজ্যসভাত বহুতো বিধেয়ক গ্ৰহণ কৰা হৈছিল । কিছু গুৰুত্বপূৰ্ণ বিল হৈছে, ৱ'মেন ৰিজাৰ্ভেচন বিল (লোকসভাৰ পৰা প্ৰাৰিত নোহোৱা), লোকপাল বিল, অন্ধ্ৰপ্ৰদেশৰ বিভাজনৰ বিল, চিভিল লায়েবিলিটি অন নিউক্লিয়েৰ বিল, খাদ্য সুৰক্ষা বিল, নতুন ভূমি অধিগ্ৰহণ বিধেয়ক । চিভিল নিউক্লিয়েৰ লায়েবিলিটি বিধেয়কৰ ওপৰত বিস্তৃত আৰু উচ্চ মানদণ্ডৰ চৰ্চা হৈছিল । ৱ'মেন ৰিজাৰভেচন বিল আৰু তেলেংগনা গঠনৰ বিলৰ ওপৰত হোৱা চৰ্চা, ভাষনৰ মাজত সদস্যসকলে সৃষ্টি কৰা হুলস্থুলীয়া পৰিবেশৰ সাক্ষী হৈ ৰৈছিল । শেষ দিনা হুলস্থুলীয়া পৰিবেশৰ মাজত চৰ্চা হৈ থাকিল ।

বেছিভাগ আলোচনাকো, আনকি ব্যক্তিগত নিউজ চেনেলে লাইভ প্ৰচাৰন কৰিছিল, যিয়ে এনে উচ্চ মানদণ্ডৰ আলোচনাৰ ওপৰত জনসাধাৰণৰ আকৰ্ষন দেখুৱাইছিল । ন্যায়ধীশ সৌমিত্ৰ সেনৰ বিৰুদ্ধে ৰাষ্ট্ৰদ্ৰোহৰ ওপৰত হোৱা আলোচনাক ৰাজ্যসভাৰ চেক্ৰেটেৰীয়েটেই বিষয়ৰ ওপৰত এখন কিতাপ প্ৰকাশিত  কৰিছে ।

ৰাজ্যসভাত যেতিয়া চৰ্চা হয়, ভাল চৰ্চা হয় । বহুতো সংসদীয় সদস্যই বিশেষকৈ সভাপতিয়ে এনে হুলস্থুলীয়া পৰিবেশৰ বাবে আমনি পাইছে । তেওঁলোকে মন্তব্য দাঙি ধৰিছে যে, ৰাজ্যসভা অৰাজকতাৰ সংঘ হৈ পৰিছে । সংসদীয় সদস্যই দিয়া মন্তব্য ৰেকৰ্ড হ'ব নে নহয় তাৰ ওপৰতো বিস্তৃত আলোচনা কৰিছে । কিছুমানে ইয়াক মানি লৈছে আৰু কিছুমানে ইয়াৰ বিৰুধিতা কৰিছে আৰু এজনেতো অৰাজকতাৰ সংঘ হোৱা বুলি আশ্চৰ্য্যতা প্ৰকাশ কৰিছে । ৰাজ্যসভা নিজৰ তুংগ স্থানত দেখা গৈছে আৰু হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি নহ'লে আন বহুতো বিষয়ৰ ওপৰত আলোচনা সম্ভৱ হ'লহেতেঁন ।